সৰুপথাৰ মহাবিদ্যালয়

স্থাপিত ঃ ১৯৭০ চন

SARUPATHAR COLLEGE


# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection


প্ৰথম বছৰ, ষষ্ঠ সংখ্যা, ২০২৪, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত ।।প্ৰথম বছৰ, পঞ্চম সংখ্যা ।। মাহেকীয়া ই-বাৰ্তা, ৩১ আগষ্ট২০২৪, শনিবাৰ


## বিনামূলীয়া স্বাস্থ্য শিবিৰ

সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষা সম্প্ৰসাৰণ কোষৰ উদ্যোগত আৰু ধনশিৰি মহকুমা স্বাস্থ্য কেন্দ্ৰৰ সহযোগত ০৩-০৮-২০২৪ তাৰিখে মহাবিদ্যালয়ত এটি বিনামূলীয়া স্বাস্থ্যজ্ঞয শিবিৰৰ আয়োজন কৰা হয়। ইয়াৰ যোগেদি মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষাৰ লগতে তেওঁলোকক প্ৰয়োজনীয় ঔষধ প্ৰদান কৰা হয়। সম্প্ৰসাৰণ কোষৰ হৈ সহকাৰী অধ্যাপক ড° ববিতা দত্তই কাৰ্যসূচী সম্পন্ন হোৱাত আগভাগ লয়। ■

## গ্ৰন্থ উন্মোচনী সভা

সৰুপথাৰ মহাবিদ্যালয়ৰ মহিলা কোষৰ উদ্যোগত মহাবিদ্যালয় আলোচনা কক্ষত ০৯-০৮-২০২৪ তাৰিখে এখনি গ্ৰন্থ উন্মোচনী সভাৰ আয়োজন কৰা হয়। মহাবিদ্যালয় মহিলা কোষৰ সভাপতি ড° ববিতা দত্তই আঁত ধৰা সভাখনত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষা ড° প্ৰাপ্তি ঠাকুৰে। 'শতভিষা' বিভিন্ন ক্ষেত্ৰত উত্তৰ পূৰ্বাঞ্চলৰ নাৰী বিষয়ক গ্ৰন্থখন উন্মোচন কৰে সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা সন্মানীয়া মিতালী বৰাই। সভাত মহাবিদ্যালয়ৰ সকলো শিক্ষকৰ লগতে বহুকেইজন শুভাকাংক্ষী উপস্থিত থাকে। গ্ৰন্থখনৰ সম্পাদনা মহাবিদ্যালয় মহিলা কোষৰ সভাপতি ড°ববিতা দত্তৰ। মুঠ তেইশটা চিন্তাকৰ্ষক প্ৰৱন্ধেৰে প্ৰকাশিত গ্ৰন্থখনে পাঠকৰ সমাদৰ লাভ কৰিব বুলি সকলোৱে মত ব্যক্ত কৰে। অধ্যক্ষই তেখেতৰ ভাষণত মহিলা কোষৰ সকলো সদস্যৰ সহযোগিতা আৰু উদ্যমৰ শলাগ লয়।

## ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস উদযাপন

গ্ৰন্থাগাৰ বিজ্ঞানৰ চৰ্চাৰ ক্ষেত্ৰখনক এক সুকীয়া মৰ্যাদা প্ৰদান কৰা ড° এছ. আৰ. ৰংগনাথৰ স্মৃতি দিৱস উপলক্ষে নামকৰণ হোৱা ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰিক দিৱস ১২ আগষ্টত সৰুপথাৰ মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰৰ উদ্যোগ ত উদযাপন কৰা হয়। এই উপলক্ষ্যে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ কৰ্মচাৰীসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰচেষ্টাত 'সাৰশ্বত' নামৰ প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰা হয়। সঞ্জীৱ দত্তৰ সম্পাদনাত প্ৰকাশিত প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে মহাবিদ্যালয়ৰ অধক্ষ্য ড০ প্ৰাপ্তি ঠাকুৰে। বিয়লি ২ বজাত মুহীকান্ত তামুলী প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰে এই দিৱসটি উদযাপন কৰা হয়। প্ৰতিযোগিতাখনিত সঞ্জীৱ দত্তই প্ৰথম, প্ৰাচুয্য দত্তই দ্বিতীয় আৰু পৱিত্ৰ গগৈয়ে তৃতীয় স্থান লাভ কৰে। ■

## নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সভা

ইংৰাজী ২০/৮/২০২৪ তাৰিখে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ আৰু Anti Tobacco Cell ৰ উদ্যোগত জিলা সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ সৌজন্যত ছাত্ৰছাত্ৰীৰ মাজত নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে সজাগতা সভা অনুষ্ঠিত কৰা হয়। অধ্যক্ষ ড০ প্ৰাপ্তি ঠাকুৰে উদ্বোধন কৰা সভাখনত বক্তব্য ৰাখে ক্ৰমে জিলা সামাজিক ন্যায় আৰু সৱলীকৰণ বিষয়া দুদু দত্ত,মহকুমা আৰকাৰী পৰিদৰ্শক কুলদীপ ডেকা আৰু সপোন ফুকন ।মহাবিদ্যালয়ৰ Anti Tobacco cell ৰ সংযোজকে আঁত ধৰা সভাখনত প্ৰায় পাচশ ছাত্ৰছাত্ৰী উপস্থিত থাকে। ■

## কুইজ ক্লাৱৰ সৌজন্যত শনিবৰীয়া কুইজ সম্পন্ন

সৰুপথাৰ মহাবিদ্যালয়ৰ কুইজ ক্লাৱৰ সৌজন্যত আজি ১৭ আগষ্ট ২০২৪ তাৰিখে শনিবৰীয়া কুইজ অনুষ্ঠিত হয়। কুইজ পৰিচালনা কৰে সন্ধ্যাতৰা শইকীয়াই। প্ৰতিযোগিতাখনিত প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হয় ইতিহাস বিভাগৰ দুলেশ্বৰ শইকীয়া আৰু সহযোগী দলে। দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে ৰাজনীতি বিজ্ঞান বিভাগৰ দিজু গগৈৰ দলে আৰু ইতিহাস বিভাগৰ ৰঞ্জন শৰ্মা আৰু তেওঁৰ দলে। কুইজ ক্লাৱৰ তৰফৰ পৰা সকলোকে শলাগ লয় তত্বাৱধায়ক সত্যব্ৰত দত্ত আৰু সন্ধান হাজৰিকাই। ■

## সোণৰ পদকেৰে জিলিকিল ধনশিৰিৰ পূজা লিম্বু

সৰুপথাৰলৈ পুনৰ গৌৰৱ কঢ়িয়াই আনিলে আন এগৰাকী খেলুৱৈয়ে। এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়াত সোণৰ পদকেৰে জিলিকিল সৰুপথাৰ মহাবিদ্যালয়ৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰী পূজা লিম্বু । তামিলনাডুত অনুষ্ঠিত ২৩ সংখ্যক ৰাষ্ট্ৰীয় যুৱ উশ্বু চেম্পিয়নশ্বিপৰ ৬০ কেজি শাখাত অংশগ্ৰহণ কৰি পূজা লিম্বুৱে সোণৰ পদক অৰ্জন কৰিছে ।

অসম-নাগালেণ্ড সীমান্তৰ উৰিয়ামঘাট ধনতোলা গাঁৱৰ নিবাসী গজেন্দ্ৰ লিম্বু আৰু কমলা লিম্বুৰ কন্যা পূজা লিম্বুৱে ২০২০ চনত ক্ৰীড়াৰ ক্ষেত্ৰখনত প্ৰবেশ কৰিছিল ।বৰ্তমান সময়ত পূজাই হাতীডুবি উশ্বু একাডেমিত মাষ্টাৰ অমৰ সিং লিম্বুৰ ওচৰত প্ৰশিক্ষণ লৈ আছে। পূজা লিম্বুৱে ইয়াৰ পূৰ্বেও ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশগ্ৰহণ কৰিছিল। পূজাৰ সফলতাত সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ প্ৰাপ্তি ঠাকুৰৰ লগতে সমূহ শিক্ষক-শিক্ষয়িত্ৰী তথা উৰিয়ামঘাট ধনতোলাবাসীয়ে গৌৰৱ অনুভৱ কৰিছে। ■

## Freshers' Social held in Sarupathar College

The freshers' Social of Sarupathar College was organized with pomp and gaiety on 31st August in order to welcome the newly admitted students of HS and degree students for the academic session 2024-25. The programme started with the hoisting of the flag by Shiva Boro, the secretary of the Sarupathar College Students' Union body followed by *smiti tarpan*. In this connection, an open session was held in the Muhikanta Tamuly Auditorium of the college. The session was started with lighting of the earthen lamp by Dr. Prapti Thakur, Principal of Sarupathar College followed by singing of the college anthem by a group of college students. In the programme anchored by Mr. Satyabrat Dutta, Dr. Prapti Thakur delivered the welcome speech. The general Secretary of the college union body, Mr. Shiva Boro in his address to the students highlighted the achievements of the students as well as the college administration during his tenure as general secretary. Eminent author, critic and public speaker M r. Mayur Bora graced the occasion as appointed Speaker. The other dignitaries present on the occasion include Mr. Siddheswar Saikia, President of Sarupathar College Governing Body, Ms. Moniprova Bora, ex-principal of Sarupathar College and Mr. Ashish Jyoti Porasor, state secretary of the Axom Chatra Parishad. The formal meeting came to an end with the vote of thanks offered by Mr. Satyabrat Dutta followed by cultural programme where artistes Mr. Ashish Banik and Nilutpal enthralled the audience by singing melodious songs. ■

## Students' Induction Programm

TheIQAC and Admission Committee of Sarupathar College organised a three-day NEP Induction Programme for students enrolled to undergraduate courses at the college from August 1 to August 3. The program's purpose was to introduce freshly enrolled BA/B.Com 1st Semester students to the FYUGP under NEP, including the course structure, course selection process, and the college and teachers. The first day began with an opening session hosted by Dr. Ridip Khanikar, Coordinator, IQAC, in which the Principal, Vice-Principals, and HoDs from all departments were present. Following the session, Principal Dr Prapti Thakur made the initial step in introducing the college, both academically and co-curricularly, to the newly enrolled students. Following the Principal's session, Mr. Satyabrat Dutta, Head of the History Department, conducted the second session of the day. Mr Dutta spoke to the gathering about how to stay motivated at all times and what Sarupathar College might do to help. The second day of the Induction Programme focused on the mechanics of the FYUGP offered by NEP. The day was broken into three technical sessions. Dr. Pranab Phukan, HoD, Assamese Dept., chaired the first session, which informed students about the FYUGP's overall programme structure. Dr Ridip Khanikar chaired the second technical session of the day, which covered a variety of topics related to the FYUGP, including MEES and the Academic Bank of Credits (ABC). In addition, Dr. Ridip provided a quick overview of the IQAC Works, Cells, and Clubs in which students can participate positively.The third technical session was conducted by Mr. Nabajyoti Goswami, HoD of Commerce. In hispresentation, Mr. Goswami addressed the students about the future of commerce education as well as the FYUGP's multidisciplinary aspect.The third day of the Induction Programme began at 10 a.m. and concluded at 3 p.m. Dr. Prem Kn. Borah, Dr. Sanjay Rizal, Dr.Pritom Sutradhar, and Ms. Anjali Yadav each conducted three technical sessions on that day. At the conclusion of the sessions, a vote of thanks programme was held in which the Principal thanked all of the participating students and staff members of the institution for assisting the IQAC and Admission Committee in ensuring the smooth conduct of the Induction Programme. Following that, the students were taken on a tour of the entire college campus, including the library, guest house, hostels, classrooms, and museum. ■

## Virtual Power Seminar on Artificial Intelligence

On August 20, IQAC Sarupathar College hosted a virtual power seminar on Artificial Intelligence in collaboration with ICT Academy Guwahati. The seminar began on a bright note at 11 a.m. in Sarupathar College's digital conference hall. Sasanka Medi from ICT Academy moderated the seminar and provided an introduction to the speaker and theme, while Dr Ridip Khanikar, Coordinator, IQAC of Sarupathar College, offered the welcoming speech. The seminar's speaker, Jeyashree Kothai Alwan, Assistant Manager, Renault Nissan India, provided a thought-provoking discussion on different elements of AI, including applications across sectors, recent trends in AI, the future of AI, and so on. More than 100 students and professors from Sarupathar College attended the seminar and actively participated with the speaker. Dr Ridip Khanikar, Coordinator, IQAC of Sarupathar College, closed the seminar with a vote of thanks. ■

# News Capsules

## Cleanliness drive carried out

Guided by its motto 'Not Me, But You', the NSS Unit of Sarupathar College with a view to institutionalising cleanliness and raising awareness about environment conservation executed a special campaign in front of the college as well as inside the college premises on 11th August, 2024. A total of 50 volunteers took part in the drive. The volunteers also manured the existing plants in the college campus apart from carrying out cleanliness drive. ■

## Tricolour flags distributed among students

The NSS Unit of Sarupathar College distributed more than two hundred Tricolour flags (*Tiranga*) amond the students of Sarupathar College on 14th August. Mr. Agni Bahadur Chetri, the Programme Officer of NSS wing of Srupathar College in presence of Principal Dr. Prapti Thakur distributed national flags on the eve of India's Independence day . In his brief speech, Mr. Chetri called upon the students to unfurl the Tiranga in their own residence as part of the celebration '*Azadi Ka Amrit Mohotsav*'. He explained the meaning and significance of the three colours of the Indian National Flag as well as the "*Ashoka Chakra*" located in the centre of the white part of the flag. is the wheel of the law of *dharma*. He also called upon the students to take out short procession on the Independence Day with the slogan '*Har Ghar Tiranga*'. ■

## Library Orientation Programme

A library orientation programme was conducted by the Librarian of Sarupathar College in the Muhikanta Tamuli Auditorium on 19th and 20th August, 2024 from 11 a.m. to 1 p.m. for the newly admitted BA/BCom 1st semester students. A total of 195 fresher took part in the programme while the second day programme was attended by30 students. In the programme, the Librarian Ms. Smita Chetia presented a power point presentation and gave every details of Library, its concept,importance of library in student's life, facilities and services available in the Sarupathar College library. Ms. Chetia also spoke on how to activate and use N-LIST, NDLI, e-Sjournal, e-books and digital library of Sarupathar College. ■

## দুঃসাহসিক ক্ৰীড়াত মহাবিদ্যালয়ৰ ছাত্ৰীৰ সাফল্য

সৰুপথাৰ, ২৯ আগষ্টঃ তামিলনাডু কাইট ব'ৰ্ডিং চেম্পিয়নশ্বিপ ২০২৪ ত অসম কন্যাৰ সাফল্য। এই সাফল্য কঢ়িয়াই আনিছে গোলাঘাট জিলাৰ সৰুপথাৰৰ নিশামণি বৰাই। লাভলীনা বৰগোহাঁই, নয়নমণি শইকীয়াৰ পিছত নিশামণি বৰাৰ এই কৃতিত্বত স্বাভাৱিকতে উৎফুল্লিত হৈ পৰিছে সৰুপথাৰবাসী। তামিলনাডুত ২৫ আগষ্টৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল কাইট ব'ৰ্ডিং চেম্পিয়নশ্বিপ ২০২৪ ।এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল সৰুপথাৰৰ নিশামণি বৰাই ।সাগৰৰ বুকুত দুঃসাহসিক ক্ৰীড়াত অংশগ্ৰহণ কৰা যুৱ খেলুৱৈগৰাকীয়ে অৱশেষত বিজয় নিচান উৰুৱাবলৈ সক্ষম হৈ জয় কৰে স্বৰ্ণপদক। ইয়াৰ লগে লগে কাইট ব'ৰ্ডি শাখাত অসমৰ পৰা প্ৰতিনিধিত্ব কৰা প্ৰথমগৰাকী চেইলৰত পৰিণত হয় নিশামণি। উল্লেখ্য যে, বিগত সময়চোৱাত ছেইলিঙৰ দৰে দুঃসাহসিক ক্ৰীড়াত অংশগ্ৰহণ কৰা অসমৰ প্ৰথমগৰাকী মহিলা খেলুৱৈ নিশামণিয়ে INWTC ৰ উদ্যোগত গোৱাত অনুষ্ঠিত ইণ্ডিয়ান নেভী অ'পেন উইণ্ড চাৰ্ফিং চেম্পিয়নশ্বীপতো অংশগ্ৰহণ কৰিছিল। খেলুৱৈগৰাকীয়ে উক্ত প্ৰতিযোগিতাতো লাভ কৰিছিল সোণৰ পদক। ইয়াৰ উপৰিও নিশামণিয়ে বেপুৰ ইণ্টাৰনেশ্যনেল ৱাটাৰ ফেষ্টিভেলত অংশগ্ৰহণ কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল ।২০২৩ বৰ্ষৰ পৰা ক্ৰীড়াৰ পাতনি মেলা নিশামণিয়ে বৰ্তমান সময়ত তামিলনাডুত Kite surfing ৰ কঠোৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আছে ।আগন্তুক সময়ত এছিয়ান গেমছ আৰু অলিম্পিকত ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰি সকলোকে অনুপ্ৰাণিত কৰাৰ মন এইগৰাকী খেলুৱৈৰ। সমান্তৰালকৈ ৱাটাৰ স্প'ৰ্টছকো সকলোৰে আগত পৰিচয় কৰি দিয়াৰ এক উদ্দেশ্যে পুহি ৰাখিছে নিশামণিয়ে। ■

## ২১/৮/২০২৪ বহু প্ৰত্যাশিত শুভাৰম্ভ

অসম কৃষি বিশ্ববিদ্যালয়ৰ সহযোগত আজি সৰুপথাৰ মহাবিদ্যালয়ত এবছৰীয়া বৃত্তিমুখী পাঠ্যক্ৰম 'Comprehensive Tea Technology and Management' পাঠ্যক্ৰম আৰম্ভ কৰা হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ সন্মানীয় পঞ্জীয়ক ড০ তপন গোহাঁয়ে উদ্বোধন কৰা এই অনুষ্ঠানত উপস্থিত থাকে চাহ শিল্প তথা প্ৰযুক্তি বিভাগৰ মুৰব্বী অধ্যাপক ড০ মৃদুল ডেকা আৰু সহযোগী অধ্যাপক ড০ অদিতি স্মিথ গগৈ। ২১গৰাকী এই পাঠ্যক্ৰমত অন্তৰ্ভুক্ত নৱাগতক আজি আদৰণি জনোৱা হয়। ■

## ছাত্ৰ-ছাত্ৰীৰ সাফল্য



ধনশিৰি মহকুমা প্ৰশাসনৰ উদ্যোগত আয়োজিত ৭৮ সংখ্যক স্বাধীনতা দিৱসত সৰুপথাৰ মহাবিদ্যালয়ৰ এন চি চি দলটিয়ে শ্ৰেষ্ঠ দল আৰু ছাত্ৰ অংকুৰ পালে শ্ৰেষ্ঠ কামাণ্ডাৰৰ সন্মান লাভ কৰে।




আজি ০৯ আগষ্ট, ২০২৪ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ৰ মহিলা-কোষৰ উদ্যোগত এখনি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। ড০ ববিতা দত্তৰ সম্পাদনাত প্ৰকাশিত 'শতভিষা' মুকলি কৰে সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুতা মিতালী বৰাই। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ক্ষেত্ৰৰ নাৰী সম্বন্ধীয় এই গ্ৰন্থখনৰ সহকাৰী সম্পাদকৰ দায়িত্বত আছিল জেৰী তিমুংপী।



৮ আগষ্ট, ২০২৪ সৰুপথাৰ মহাবিদ্যালয়ৰ মহিলা-কোষৰ উদ্যোগত এক গভীৰ প্ৰত্যাশাৰে আজিৰ পৰা স্বনিয়োজন ক্ষেত্ৰখনত ৰূপচৰ্চাৰ ডিপ্লমা পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। মহাবিদ্যালয়ৰ বৰ্তমানৰ তথা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু কিছু সংখ্যক ইচ্ছুক প্ৰশিক্ষাৰ্থীৰে আৰম্ভ হোৱা এই পাঠ্যক্ৰমটিৰ মূল প্ৰশিক্ষক হিচাপে আছে ৰুণু কোঁৱৰ।




















৩১ আগষ্ট, ২০২৪ তাৰিখে অনুষ্ঠিত মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ কেইটামান বিশেষ মুহূৰ্ত

প্ৰতিবিম্ব ই-বাৰ্তাৰ সম্পাদনা সমিতিঃ
উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
সম্পাদকঃ ড° অমৰ শইকীয়া
সম্পাদক (ইংৰাজী শাখা)ঃ প্ৰাঞ্জল দত্ত
সহঃ সম্পাদকঃ
তৃস্মিতা বৰা, সত্যব্ৰত দত্ত, যুগল মেধি